## ৪.০৪ ব্যাকৰণ (Grammar) ঃ

ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ দৰে ‘ব্যাকৰণ’ অভিধাটো প্ৰাচীন কালৰে পৰা ভাষাৰ অধ্যয়নত ব্যৱহাৰ কৰি অহা হৈছে। ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানতকৈ ‘ব্যাকৰণ’ শব্দটোৰ ব্যৱহাৰ অতি প্ৰাচীন। অথৰ্ব বেদৰ গোপথ ব্ৰাহ্মণ গ্ৰন্থত ‘ব্যাকৰণ’ শব্দৰ প্ৰথম উল্লেখ পোৱা যায়। বৈদিক যুগতেই ব্যাকৰণৰ ধাৰা এটা সৃষ্টি হয়। শিক্ষা, ব্যাকৰণ, নিৰুক্ত, ছন্দ, জ্যোতিষ আদি ষড় বেদাংগৰ ভিতৰত ব্যাকৰণক শ্ৰেষ্ঠ বুলি বিবেচিত কৰা হয়। ভাৰতীয় পৰম্পৰাত প্ৰথম ভাষাক ব্যাকৃত কৰাৰ কথা ‘কৃষ্ণ যজুৰ্বেদ’ গ্ৰন্থত পোৱা যায়। ইয়াত কোৱা মতে, ইন্দ্ৰই

সর্বপ্ৰথম ভাষাক 'ব্যাকৃত' অৰ্থাৎ বিশ্লেষণ কৰিছিল। দেৱভাষাৰূপে পৰিচিত বৈদিক ভাষাত ৰচিত বেদৰ স্তোত্ৰসমূহ মুখে মুখে প্ৰচলিত হৈ অহাত পৰি মুনিসকলৰ মুখত বিকৃতি ঘটাৰ উপক্ৰম হৈছিল। তেতিয়া এই ভাষাৰ বিকৃতি ৰোধ কৰিবলৈ ব্যাকৰণ ৰচনা কৰিবলৈ লয়। ফলস্বৰূপে শিক্ষা, নিৰুক্ত, কোষ আদি বেদাংগসমূহৰ সৃষ্টি হয়। তাৰ পিছত পাণিনিৰ হাতত খ্ৰীঃ পূঃ পঞ্চম শতিকাত বিশ্বৰ প্ৰথমখন ব্যাকৰণ 'অষ্টাধ্যায়ী' ৰচিত হয়। ইয়াৰ পাছৰ পৰাহি 'ব্যাকৰণ' শব্দটো সঞ্চালনিকৈ ভাষাৰ অধ্যয়নত ব্যৱহাৰ হ'বলৈ ধৰে।

'ব্যাকৰণ' শব্দটোৰ মূল সংস্কৃত। সংস্কৃতত 'ব্যাকৰণ' শব্দটোৰ ব্যুৎপত্তি এনেধৰণৰ — বি (= বিশেষ্য) + আ (= সম্যক) + √কৃ (= কৰ) + অন (ট) (= ণ) অৰ্থাৎ ব্যাকৃত কৰা, বিশিষ্ট কৰা, ভাষাৰ গঠনৰীতিৰ বিশেষ উপাদানবোৰ ফঁহিয়াই দেখুওৱা, বিশেষ আৰু সম্যক বিশ্লেষণ কৰা।

ব্যাকৰণৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Grammar'। Grammar শব্দটো গ্ৰীক ভাষাৰ পৰা লেটিন ভাষাৰ মাজেৰে ইংৰাজী ভাষালৈ আহিছে। গ্ৰীক ভাষাত Grammar মানে 'আখৰ'; 'Grammata' মানে আখৰ জনা তত্ত্ব; 'Grammaticus' মানে শুদ্ধকৈ ভাষা কোৱা মানুহ। 'Grammatike Techne' মানে লিখনৰ কলা (the art of writing)। গ্ৰীচ দেশত ভাষা-চৰ্চাৰ প্ৰাচীন ধাৰাক পৰম্পৰাগত ব্যাকৰণ (Traditional Grammar) বুলি অভিহিত কৰা হৈছিল। অৱশ্যে খ্ৰীঃ পূঃ দ্বিতীয় শতাব্দীৰ গ্ৰীক ভাষাৰ প্ৰথমজন বৈয়াকৰণ ডিওনুচিয়াচ থ্ৰাক্স (Diounusious Thrax)ৰ ভাষাচিন্তা আৰু বৈয়াকৰণিক দিশৰ আলোচনাক দাৰ্শনিক ব্যাকৰণ (Philosophical Grammar) বুলিও অভিহিত কৰা হৈছিল। কিন্তু থ্ৰাক্সে গ্ৰীক ভাষাৰ প্ৰথম ব্যাকৰণ 'Techne Grammatike' ৰচনা কৰাৰ পাছৰে পৰা 'Grammatika' শব্দৰ প্ৰচলন হ'বলৈ ধৰিলে। গ্ৰীক ভাষাৰ 'Grammatike' শব্দৰ পৰাই লেটিন ভাষাত 'Grammaticae' আৰু ইংৰাজী ভাষাত 'Grammar' শব্দৰ প্ৰচলন হ'বলৈ ধৰিলে আৰু ভাষাৰ বিশ্লেষণত এই 'Grammar' শব্দৰ বহলভাৱে ব্যৱহাৰ হ'ল। ব্যাকৰণ সম্পৰ্কে সৰ্বসাধাৰণৰ ধাৰণা হৈছে — ব্যাকৰণৰ সহায়ত ভাষা শুদ্ধকৈ লিখিব আৰু ক'ব পাৰি। এই কথা ভাষাৰ মান্যৰূপৰ ক্ষেত্ৰত কিছু প্ৰযোজ্য। ব্যাকৰণ এখনত ভাষা বিশেষৰ কোনো এটা ৰূপৰহে প্ৰতিফলন ঘটে। যিহেতু ভাষা সমাজ পৰিচালিত, ব্যাকৰণে যিয়েই নিয়ম-নীতি নিৰ্দেশ নকৰক, সমাজৰ অধিকাংশ লোকে দৈনন্দিন বাক্ ব্যৱহাৰত ভাষাৰ শুদ্ধ-অশুদ্ধ দুয়োটা ৰূপকে ব্যৱহাৰ কৰে। এই সম্পৰ্কে ফ্ৰেংক পামাৰৰ এটা উক্তি মনলৈ আহে[৮] — "ব্যাকৰণৰ বহুতো নিয়ম ভাষাৰ বাক্ ব্যৱহাৰত বিবেচনা কৰা নহয়, ভাষাৰ ভুল ৰূপবোৰৰ সম্পৰ্কে কোনো সতৰ্ক নহয়। ভাষাৰ কোনটো ৰূপ শুদ্ধ, কোনটো ৰূপ অশুদ্ধ সেইটো সমাজেহে পৰিচালিত কৰে।"

ভাষাৰ অশুদ্ধ ৰূপকো যদি সৰহ সংখ্যক লোকে ব্যৱহাৰ কৰে সেই ৰূপো সমাজত কিছুদিন চলাৰ পাছত গ্ৰহণযোগ্য হৈ পৰে। ইয়াত ব্যাকৰণৰ নীতি-নির্দেশনাৰ কথালৈ বিশেষভাৱে আওকাণ কৰি চলে। অৱশ্যে লিখিত ৰূপৰ ক্ষেত্ৰত এনে বিশৃংখলা হোৱা দেখা নাযায়। সেইবাবে সময়ে সময়ে হোৱা ভাষাৰ পৰিৱৰ্তনলৈ লক্ষ্য ৰাখি ভাষাৰ ব্যাকৰণো সলনি হোৱা উচিত। যিহেতু ভাষাই ব্যাকৰণক অনুকৰণ নকৰে, ব্যাকৰণেহে ভাষাক অনুকৰণ কৰা উচিত। ব্যাকৰণৰ প্ৰধান কাম হৈছে, ভাষা বিশেষৰ গাঁথনিক স্বৰূপ বিজ্ঞানসন্মত ৰূপত দাঙি ধৰা। ব্যাকৰণে ভাষাৰ কোনটো ৰূপ শুদ্ধ বা অশুদ্ধ এই বিষয়ে নীতি-নির্দেশনা নকৰে। অৱশ্যে ভাষাৰ কোনটো ৰূপ প্ৰচলিত বা কেনেদৰে ভাষাক ব্যৱহাৰ কৰিব লাগে এই সম্পৰ্কেও পৰোক্ষভাৱে নীতি-নিৰ্ধাৰণ কৰে। চমু কথাত, ব্যকৰণে ভাষাৰ ভাল ৰূপটো (good language)ৰ শৃংখলাবদ্ধ বিৱৰণ দাঙি ধৰে।

আধুনিক ভাষাবিদসকলে ব্যাকৰণৰ প্ৰকৃতি কেনে হ'ব লাগে এই সম্পৰ্কে কেতবোৰ ধাৰণা দাঙি ধৰিছে।

ড° বি. এইচ. চুইটৰ মতে, "ব্যাকৰণ হৈছে এটা ভাষাৰ বাস্তৱ বিশ্লেষণ আৰু শৰীৰতত্ত্ব"[৯]। ব্যাকৰণ এখনত ভাষাৰ গঠনৰ আলোচনা থাকিব লাগে।

অট' জেছপাৰছনৰ মতে — "ব্যাকৰণ এখনত ভাষাৰ কথিত ৰূপটোৰ উপাদানবোৰক মুখ্য উৎস হিচাপে লোৱা উচিত। যিহেতু কথিত ৰূপৰ বিকল্প ৰূপ হৈছে লিখিত ৰূপ; তদুপৰি ভাষাৰ উপাদান সুৰ, লয়, শ্বাসাঘাত সম্পৰ্কেও বিশ্লেষণ থাকিব লাগে, তেতিয়াহে ভাষাবিশেষৰ সম্পূর্ণ স্বৰূপ উদ্‌ঘাটন হ'ব"[১০]।

গোলোকচন্দ্ৰ গোস্বামীৰ মতে, "ব্যাকৰণ হ'ল কোনো এটা ভাষাৰ গঠন পদ্ধতিৰ বিজ্ঞানসন্মত আৰু যথাসম্ভৱ বিতং বিশ্লেষণ"[১১]।

সুকুমাৰ সেনেও গোস্বামীৰ দৰে একে ধৰণে ব্যাকৰণৰ সংজ্ঞা দাঙি ধৰিছে — "কোনো এটা ভাষাৰ উপাদানসমূহৰ সামগ্ৰিক বিচাৰ-বিশ্লেষণৰ যি বিদ্যাৰ বিষয় তাক সেই ভাষাৰ ব্যাকৰণ বোলে"[১২]।

আধুনিক বৈয়াকৰণসকলে ব্যাকৰণৰ বিজ্ঞানসন্মত সংজ্ঞা নিৰূপণ কৰিছে যদিও ব্যাকৰণ সম্পৰ্কীয় বিতৰ্কৰ এতিয়াও ওৰ পৰা নাই। ভাষাৰ গঠনক আওকাণ কৰি ভাষাৰ কেৱল শুদ্ধ আৰু শিষ্ট ৰূপটোক উদঙাই দেখুওৱা ব্যাকৰণৰ সংখ্যাই যথেষ্ট সংখ্যক পোৱা যায়। সাধাৰণতে ব্যাকৰণসমূহত ভাষাৰ ধ্বনিতত্ত্ব (Phonology) আৰু অৰ্থতত্ত্ব (Semantics) এই দুয়োটা দিশক আওকাণ কৰি ৰূপতত্ত্ব (Morphology) আৰু বাক্যতত্ত্ব (Syntax) এই দুয়োটা দিশৰে আলোচনা আগবঢ়োৱা দেখিবলৈ পোৱা যায়। শেহতীয়াকৈ নোৱম চমস্কিৰ 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ' (Transformational Generative Grammar)-এ ধ্বনিতত্ত্ব আৰু অৰ্থতত্ত্বক সামৰি লৈছে। সেইবাবে আধুনিক বিজ্ঞানসন্মত এখন